This Question Paper consists of 25 questions and 8 Printed pages.
এই প্ৰশ্নকাকতত 25 টা প্ৰশ্ন আৰু 8 খন ছপা পৃষ্ঠা আছে।

Roll No.
ৰোল নং. | | | | | | | | | | | | |

Code No. 71/S/228/A/ASS
কোড নং.

Set / ছেট - A

# ASSAMESE
# (অসমীয়া)
# (228)

Day and Date of Examination
(পৰীক্ষাৰ দিন আৰু তাৰিখ) ____________________

Signature of Invigilators
(নিৰীক্ষকৰ স্বাক্ষৰ)
1. ____________________
2. ____________________

UNNATI
EDUCATIONS
EK KADAM UNNATI KI AUR

*সাধাৰণ নিৰ্দেশাৱলী ঃ*

1 সমস্ত প্ৰশ্নৰ উত্তৰ আপোনাক দিয়া উত্তৰ পুস্তিকাত দিব লাগিব।

2 এই প্ৰশ্নপত্ৰখন পঢ়িবৰ বাবে 15 মিনিট সময় দিয়া হৈছে। প্ৰশ্নপত্ৰখন দুপৰীয়া 02:15 বজাত বণ্টন কৰা হ'ব। 02:15 ৰ পৰা 02:30 পৰ্যন্ত সময় বিদ্যাৰ্থীসকলক প্ৰশ্নপত্ৰখন কেৱল পঢ়িবৰ বাবে দিয়া হৈছে। এই সময়ত তেওঁলোকে উত্তৰ পুস্তিকাত কোনোধৰণৰ উত্তৰ লিখিব নোৱাৰিব।

3 প্ৰশ্নকাকতৰ প্ৰথম পৃষ্ঠাত পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নং সঠিককৈ লিখিব।

4 পৰীক্ষাৰ্থীয়ে প্ৰশ্নকাকতৰ প্ৰথম পৃষ্ঠাৰ শীৰ্ষত উল্লেখ কৰা মতে প্ৰশ্ন বহীখনত মুঠ প্ৰশ্নৰ সংখ্যা ক্ৰমানুসাৰে আছে নে নাই আৰু পৃষ্ঠাৰ সংখ্যা ঠিক মতে আছে নে নাই নিশ্চিত হৈ ল'ব লাগিব।

5 সকলোবোৰ প্ৰশ্নৰ উত্তৰ নিৰ্দিষ্ঠ সময়ৰ ভিতৰত কৰিব লাগিব।

6 নিৰ্দিষ্ঠ স্থানৰ বাহিৰে প্ৰশ্ন-উত্তৰ বহীৰ অন্য কোনো স্থানত ৰোল নং বা পৰীক্ষাৰ্থীৰ চিনাক্তকৰণৰ যি কোনো তথ্য লিখিলে পৰীক্ষাৰ্থীৰ পৰীক্ষা বাতিল হ'ব।

7 উত্তৰ বহীত প্ৰশ্নকাকতৰ সাংকেতিক সংখ্যা 71/S/228/A/ASS, ছেট - A উল্লেখ কৰিব।



UNNATI EDUCATION
9899436384: 9654-279-279

# ASSAMESE

**(অসমীয়া)**

**(228)**

**সময় : 3 ঘন্টা]** **[পূৰ্ণমান : 100**

**টোকা :**

(i) এই প্ৰশ্নকাকতখনত দুটা খণ্ড আছে - 'ক' অংশ আৰু 'খ' অংশ।

(ii) প্ৰশ্নকাকতৰ দুয়োটা অংশ সামৰি মুঠ প্ৰশ্ন সংখ্যা **25** টা। সকলো প্ৰশ্নৰ উত্তৰ দিয়াটো বাধ্যতামূলক।

(iii) প্ৰতিটো প্ৰশ্নৰ বিপৰীতে নিৰ্ধাৰিত নম্বৰ দিয়া হৈছে।

(iv) বস্তুনিষ্ঠ/বহুবিকল্প প্ৰশ্ন 'ক' অংশ আৰু বিষয়ভিত্তিক/বৰ্ণনামূলক প্ৰশ্ন 'খ' অংশত দিয়া হৈছে। প্ৰশ্নৰ লগতে সেইবোৰৰ আভ্যন্তৰীণ বিকল্পও দিয়া হৈছে। নিৰ্দেশনা অনুসৰি বিকল্পসমূহ মনত ৰাখি সকলো প্ৰশ্নৰ উত্তৰ দিব।

(v) 'ক' অংশত মুঠ **17** টা প্ৰশ্ন আছে। **1** নং প্ৰশ্নৰ পৰা **5** নং প্ৰশ্নলৈ মুঠ **20** টা বহুবিকল্প/বস্তুনিষ্ঠ **(MCQ)** প্ৰশ্ন সন্নিৱিষ্ট কৰা হৈছে। প্ৰশ্ন নং **6** ৰ পৰা **17** লৈকে অন্যান্য বস্তুনিষ্ঠ প্ৰশ্ন সন্নিৱিষ্ট কৰা হৈছে।

(vi) 'খ' অংশত মুঠ **8** টা প্ৰশ্ন আছে। প্ৰশ্ন নং **18** ৰ পৰা **25** লৈকে বৰ্ণনামূলক আৰু ৰচনাধৰ্মী প্ৰশ্ন সন্নিৱিষ্ট কৰা হৈছে।

(vii) দুয়োটা অংশতে জ্ঞানমূলক, বোধমূলক আৰু প্ৰয়োগমূলক প্ৰশ্ন সন্নিৱিষ্ট কৰা হৈছে।

---

UNNATI EDUCATIONS
EK KADAM UNNATI KI AUR

## ক - অংশ

**1** তলত প্ৰশ্নবোৰৰ উত্তৰ লিখক : **1×4=4**

(i) 'গড়গাঁও' নামৰ কবিতাটিৰ ৰচক কোন?

(ক) নলিনীবালা দেৱী (খ) যতীন্দ্ৰনাথ দুৱৰা

(গ) বিনন্দচন্দ্ৰ বৰুৱা (ঘ) দেৱকান্ত বৰুৱা

(ii) তলৰ কোনখন পুথি নলিনীবালা দেৱী ৰচিত?

(ক) তোমাৰ বাঁহী (খ) সপোনৰ সুৰ

(গ) ৰৌদ্ৰ কোমল (ঘ) ওমৰ তীৰ্থ

(iii) মৰাৰ পিছত কবিয়ে কি কোলা বিচাৰিছে?

(ক) কোমল (খ) আলসুৱা

(গ) কঠিন (ঘ) শীতলী

(iv) আহামসকলৰ শেষৰ জনা স্বৰ্গদেউ হ'ল -

(ক) গোমধৰ কোঁৱৰ (খ) পুৰন্দৰ কোঁৱৰ

(গ) চন্দ্ৰকান্ত সিংহ (ঘ) চক্ৰধ্বজ সিংহ



UNNATI EDUCATION
9899436384: 9654-279-279

2 তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখক : 1×4=4

(i) পখী হৈ কবিয়ে জনমভূমিৰ ক'ত বাহ ল'ব?

(ক) ওখ পাহাৰত (খ) পাহাৰৰ টিলাত

(গ) বোৱতী নদীত (ঘ) ওখ বিৰিখত

(ii) কবিৰ প্ৰতিটো চিন্তাই দেশৰ বুকুত সোণোৱালী ভৱিষ্যতৰ কি ৰচে?

(ক) সুন্দৰতা (খ) সপোন

(গ) আৰ্শীবাদ (ঘ) নতুন অৰ্থ

(iii) 'কাকুতি' নামৰ বৰগীতটোত ব্যাধক কাৰ লগত তুলনা কৰিছে?

(ক) চিকাৰীৰ লগত (খ) মৃত্যুৰ লগত

(গ) শত্ৰুৰ লগত (ঘ) মিত্ৰৰ লগত

(iv) 'বতৰটো ফৰকাল' পাঠৰ লিখক কোন?

(ক) নীলমণি ফুকন (খ) শৰৎচন্দ্ৰ গোস্বামী

(গ) চৈয়দ আব্দুল মালিক (ঘ) ইমৰান শ্বাহ

3 তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখক : 1×4=4

(i) খালী ঠাই পূৰন কৰক :

ভালপোৱাৰৰ আনন্দ, _______ প্ৰাচুৰ্য।

(ক) হৃদয়ৰ (খ) যৌৱনৰ

(গ) সপোনৰ (ঘ) প্ৰেমৰ

(ii) খালী ঠাই পূৰন কৰক :

আমাৰ বাসভূমিৰ চাৰিওফালৰ অৱস্থাকেই _______ বুলিব পাৰি।

(ক) গাঁও (খ) সমাজ

(গ) পৰিবেশ (ঘ) নগৰ

(iii) 'ছোড়' শব্দৰ আধুনিক প্ৰতিশব্দ হৈছে -

(ক) চোৰ (খ) চ'ত

(গ) এৰি দে (ঘ) কাষ

(iv) 'টিঙ' শব্দৰ অৰ্থ কি?

(ক) পাহাৰ (খ) টিনপাত

(গ) শৃংগ (ঘ) শিঙ



UNNATI EDUCATIONS
EK KADAM UNNATI KI AUR
UNNATI EDUCATION
9899436384: 9654-279-279

4 তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখক : 1×4=4

(i) 'ইচ্ছাপত্ৰখন কেতিয়া লিখা হৈছিল?

(ক) ২০০১ চনৰ ৩১ জানুৱাৰী (খ) ২০০০ চনৰ ৩১ জানুৱাৰী

(গ) ২০০১ চনৰ ৩০ জানুৱাৰী (ঘ) ২০০০ চনৰ ৩০ জানুৱাৰী

(ii) 'বুসু' উৎসৱটো ডিমাছাসকলে কোন কালত উদ্‌যাপন কৰে -

(ক) শৰৎ (খ) বসন্ত

(গ) গ্ৰীষ্ম (ঘ) শীত

(iii) ওজাপালি অনুষ্ঠানত তাল নবজায় -

(ক) প্ৰথমজন পালিয়ে (খ) দাইনা পালিয়ে

(গ) ওজাই (ঘ) দ্বিতীয় পালিয়ে

(iv) বৰবৰুৱাই কিহক ঢেঁকী থোৱা কৰিব খুজিছিল?

(ক) ডিব্ৰুগড় ৰেল ষ্টেচনক (খ) যোৰহাট ষ্টেট ৰেলৱেখনক

(গ) শিৱসাগৰ ৰেল ষ্টেচনক (ঘ) গুৱাহাটী ৰেল ষ্টেচনক

5 তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখক : 1×4=4

(i) কোনখন যুদ্ধৰ পাছত অশোকৰ মন বোদ্ধ-ধৰ্মৰ পিনে ঢাল খায় -

(ক) প্ৰথম পানীপথ (খ) কলিংগ

(গ) কুৰুক্ষেত্ৰ (ঘ) দ্বিতীয় পানীপথ

(ii) সাৱিত্ৰীয়ে অপলক নয়নেৰে চাই আছিল -

(ক) বোধনক (খ) দোলনক

(গ) নৰেশ্বৰক (ঘ) বোধেশ্বৰক

(iii) চন্দ্ৰকান্ত সিংহৰ বাবে প্ৰানাহুতি দিয়া ৰাজমন্ত্ৰীজন আছিল -

(ক) পূৰ্ণানন্দ বুঢ়াগোঁহাই (খ) আতন বুঢ়াগোঁহাই

(গ) পুৰন্দৰ সিংহ (ঘ) চক্ৰধ্বজ সিংহ

(iv) দাক্ষিনাত্যৰ পণ্ডিত কবিগৰাকী হ'ল -

(ক) মহাবীৰ (খ) কবীৰ

(গ) ৰামানন্দ (ঘ) নানক

6 তলৰ দিয়াবোৰৰ খালী ঠাই পূৰ কৰক : 2×2=4

(i) লোভ মোহ দুহোঁ _______

সততে নছাৰে _______।

(ii) বঠা নাই আছে _______

দা নাঈ আছে _______।



UNNATI EDUCATIONS
EK KADAM UNNATI KI AUR
UNNATI EDUCATION
9899436384: 9654-279-279

**7** তলৰ 'ক' অংশৰ লগত 'খ' অংশ মিলাই লিখক : **4**

| **'ক' অংশ (প্ৰাচীন শব্দ)** | **'খ' অংশ (আধুনিক অৰ্থ)** |
|---|---|
| (i) দুহো | (ক) ঘূৰি ফুৰোঁ |
| (ii) বেড়াই | (খ) আবৃত |
| (iii) ছন্ন | (গ) গৰাকী |
| (iv) নাথ | (ঘ) দুয়ো |

**অথবা**

| **'ক' অংশ** | **'খ' অংশ** |
|---|---|
| (i) মংগোলীয় | (ক) বৈদিক সাহিত্যৰ নিষাদ বোলা হৈছে |
| (ii) অষ্ট্ৰিক | (খ) বৈদিক যুগত কিৰাতৰূপে জনা গৈছিল |
| (iii) বুলবুলি যুঁজ | (গ) আহোমসকলৰ আমোলত বিহুত অনুষ্ঠিত যুঁজ |
| (iv) মঁহ যুজ | (ঘ) হাজোৰ একক আৰু অতুলনীয় ধেমালি |

**8** তলৰ অনুচ্ছেদটো ভালকৈ পঢ়ক আৰু নিম্নলিখিতবোৰৰ নিৰ্দেশ অনুসৰি উত্তৰ লিখক : **1×4=4**

১৯১৪ চনত গান্ধীজীয়ে আহিয়েই আহমদাবাদৰ ওচৰত সবৰমতীত এখন আশ্ৰম পাতি গঠনমূলক কামৰ যোগেদি দেশসেৱাত ব্ৰতী হবলৈ প্ৰস্তুত হ'ল। ইতিমধ্যে য়ুৰোপত মহাযুদ্ধ আৰম্ভ হৈছিল। ভাৰতটো জাতীয়তাবাদী আন্দোলনে কেইটামান ঢাপ পাৰহৈ স্বায়ত্ব শাসনৰ দাবীৰ পৰ্যায় পাইছিল গৈ। তেতিয়াই বৃটিছ চৰকাৰে ভাৰতক যুদ্ধত সহায় কৰিলে স্বায়ত্ব শাসন দিয়া হ'ব বুলি প্ৰতিশ্ৰুতি দিলে। অকল এয়ে নহয়, ভাৰতৰ পৰা ধনে-জনে আদায় কৰি ল'লে।

(i) ১৯১৪ চনত গান্ধীজীয়ে আহিয়েই _______ ওচৰৰ সবৰমতীত এখন আশ্ৰম পাতি গঠনমূলক কামৰ যোগেদি দেশসেৱাত ব্ৰতী হবলৈ প্ৰস্তুত হ'ল। (সঠিক বিকল্পটো বাছি উলিয়াওক)

(ক) ৰাজকোটৰ (খ) আহমদাবাদৰ

(গ) বেনাৰসৰ (ঘ) সৰযুৰ

(ii) ইতিমধ্যে য়ুৰোপত _______ আৰম্ভ হৈছিল। (খালী ঠাই পূৰণ কৰক)

(iii) ভাৰততো জাতীয়তাবাদী আন্দোলনে কেইটিমান ঢাপ পাৰহৈ _______ শাসনৰ দাবীৰ পৰ্যায় পাইছিলগৈ। (খালী ঠাই পূৰণ কৰক)

(iv) ভাৰতক যুদ্ধত সহায় কৰিলে স্বায়ত্ব শাসন দিব বুলি প্ৰতিশ্ৰুতি দিলে -

(ক) আমেৰিকা চৰকাৰে (খ) ৰাছিয়াৰ চৰকাৰে

(গ) বৃটিছ চৰকাৰে (ঘ) জাৰ্মান চৰকাৰে



UNNATI EDUCATIONS
EK KADAM UNNATI KI AUR
UNNATI EDUCATION
9899436384: 9654-279-279

9 খাৰু পাত বেচি ঘুনুচাই কি পইচা পাইছিল? 1

**অথবা**

টাই - আহোম ভাষাত 'বু' মানে কি?

10 হৰনাথ ফুকন কোন? 1

**অথবা**

কোন চনত মাদাৰ টেৰেছাই ভাৰতীয় নাগৰিকত্ব গ্ৰহন কৰে?

11 গল্পলেখকে কাৰ লগত ঈদৰ মাহত ঘটি যোৱা ঘটনাবোৰ আলোচনা কৰি আছিল? 1

**অথবা**

"মই আৰু ফিৰাৎ জাকাতৰ পইচা নলওঁ, ল'ব নোৱাৰোঁ" - এইষাৰ কাৰ উক্তি?

12 জাপানৰ আনবিক বিস্ফোৰনত ধ্বংস হোৱা ঠাই-দুখনৰ এখনৰ নাম লিখক।

**অথবা**

ভাৰতবৰ্ষৰ 'গন বিপ্লৱ' কোন চনত হৈছিল।

13 'ক' অংশৰ যিকোনো চাৰিটা পাঠৰ লগত 'খ' অংশৰ লেখকৰ নাম মিলাই লিখক : 1×4=4

| | **'ক' অংশ** | | **'খ' অংশ** |
|---|---|---|---|
| (i) | শান্তিৰ দুত মাদাৰ টেৰেছা | (ক) | চৈয়দ আব্দুল মালিক |
| (ii) | প্ৰতিশোধ | (খ) | শৰৎচন্দ্ৰ গোস্বামী |
| (iii) | বন্যপ্ৰাণী আৰু ইয়াৰ সংৰক্ষণ | (গ) | তাৰিণীকান্ত গোস্বামী |
| (iv) | ভাৰতৰ বৈচিত্ৰ্যৰ মাজত ঐক্য | (ঘ) | ৰানীদেৱান বৰুৱা |
| (v) | ঘুনুচা | (ঙ) | বিপুল কুমাৰ বৰুৱা |
| (vi) | বতৰটো ফৰকাল | (চ) | মহিম বৰা |

14 তলৰ যিকোনো তিনিটাৰ খালী ঠাই পূৰণ কৰক : 1×3=3

(i) ইত্যাদি শব্দৰ সন্ধি ভাঙিলে হ'ব _______।

(ii) শোক + আকুল সন্ধি কৰিলে হ'ব _______।

(iii) মুনীন্দ্ৰ শব্দৰ সন্ধি ভাঙিলে হ'ব _______।

(iv) গৈ + অক সন্ধি কৰিলে হ'ব _______।

15 তলৰ যিকোনো তিনিটাৰ খালী ঠাই পূৰণ কৰক : 1×3=3

(i) ৰোৱন শব্দৰ প্ৰত্যয় বিন্যাস হৈছে _______।

(ii) খোজনীয়া শব্দৰ প্ৰত্যয় বিন্যাস হৈছে _______।

(iii) কৰোঁতা শব্দৰ প্ৰত্যয় বিন্যাস হৈছে _______।

(iv) খীৰতী শব্দৰ প্ৰত্যয় বিন্যাস হৈছে _______।



UNNATI EDUCATION
9899436384: 9654-279-279

**16** তলৰ যিকোনো দুটাৰ খালী ঠাই পূৰণ কৰক : **1×2=2**

(i) উৰ্বৰৰ সমাৰ্থক শব্দ হৈছে _______।

(ii) ৰাতিৰ সমাৰ্থক শব্দ হৈছে _______।

(iii) শেষৰ বিপৰীত শব্দ হৈছে _______।

(iv) আৰ্শীবাদ বিপৰীত শব্দ হৈছে _______।

**17** তলৰ যিকোনো দুটা বাক্য এটা শব্দত প্ৰকাশ কৰক : **1×2=2**

(i) যাক বিশ্বাস কৰিব নোৱাৰি

(ii) একে মাকৰ সন্তান

(iii) যি কথাৰ অৰ্থ নাই

## খ - অংশ (বিষয়নিষ্ঠ প্ৰশ্ন)

**18** তলত দিয়া যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ **20-25** টা শব্দৰ ভিতৰত লিখক : **2×3=6**

(i) ৰাজহুৱা অভিযোগটো কাৰ বিৰুদ্ধে আছিল?

(ii) মনিৰামৰ জ্বৰ পিছলৈ কি জ্বৰত পৰিনত হৈছিল?

(iii) এগ্‌নিছ কি কাৰনে পাৰ্থিব সুখৰ প্ৰতি বিমুখ হৈছিল?

(iv) কবিয়ে পখী হৈ কি কৰিব খুজিছে?

**19** তলত দিয়া যিকোনো দুটা প্ৰশ্নৰ উত্তৰ **30-40** টা শব্দৰ ভিতৰত লিখক : **3×2=6**

(i) অসমীয়া সংস্কৃতিৰ অন্যতম সম্পদ 'ধৰ্মমূলক নৃত্য' সম্পৰ্কত চমুকৈ লিখক।

(ii) দেওধনীয়ে নৃত্য কৰোঁতে কোনে, কেচিয়া জয়ঢোল বা মাদল বজাই বুজাই লিখক।

(iii) শব্দ প্ৰদূষণৰ কুফল কি?

**20** তলত দিয়া কাব্যাংশৰ কবি আৰু কবিতাৰ নাম উল্লেখ কৰি কাব্যিক সৌন্দৰ্য বৰ্ণনা কৰক : **5**

(ক) অনৈক্যৰ মাজত ঐক্য হৈ
বিৰোধৰ মাজত সংহতিৰ সম্ভাৱনা হৈ মই আছোঁ
জীৱনে মৰনে, শয়নে-সপোনে এই দেশৰ আহ্বান মই শুনিছোঁ।

**অথবা**

(খ) আবেলি আহিলে ধীৰে
আন্ধাৰৰ আৱৰণে
জগতৰ জেউতি কমায়
বিষাদ কালিমা নামি
জীৱন বীনত হেৰা
সন্ধিয়াত পূৰবীৰ ৰাগিণী বজায়
অতীতৰ স্মৃতি সোঁৱৰাই।



UNNATI EDUCATION
9899436384: 9654-279-279

21 প্ৰসংগ সংগতি দৰ্শাই কবিতাৰ পৰা এছোৱা আৰু গদ্যৰ পৰা এছোৱা ব্যাখ্যা কৰক : 4×2=8

(ক) অ'মোৰ চেনেহী দেশ
তোমাৰ দুখীয়াৰ পঁজা,
ৰচা তাত শান্তিৰ স্বৰগ :
ক'ত পাম এনে প্ৰীতি
সৰল প্ৰানৰ ভাষা
সেৱাৰ মহিমাময় ত্যাগ?

(খ) যিটি ফুলে হাঁহি আজি
ফুলনি ফুলাই তোলে
কালিলে পাহি মেলি নেহাঁহে দুনাই।

(গ) বৰদলৈৰ অন্তৰে সদায় জনজাতি ভাইসকলক বুকুৰ মাজত বিচাৰিছিল।

(ঘ) মানুহৰ অন্তৰত মনুষ্যত্ব আৰু পশুত্ব দুয়োটা ভাৱে লগালগিকৈ থাকে।

22 ভাৱ সম্প্ৰসাৰণ কৰক (যিকোনো দুছোৱা): 4×2=8

(ক) কিনা হাঁহৰ ঠোঁটলৈ মঙহ

(খ) বাটৰ দূৰাৰি বন গচকত পৰা
তাৰো এটি পাতে দিয়ে স্বৰ্গৰ বতৰা।

(গ) এশ গৰু মাৰিলে বাঘৰো মৰন।

UNNATI
EDUCATIONS
EK KADAM UNNATI KI AUR

23 তলৰ প্ৰশ্নৰ উত্তৰ **100** ৰ পৰা **150** শব্দৰ ভিতৰত লিখক : 4

(i) "কাৰন গড়ু আৰু ভুঁইকপ একে বস্তু" - পাঠৰ সহায়ত বুজাই লিখক।

**অথবা**

(ii) "ধৰ্মীয় ক্ষেত্ৰতো ভাৰতীয় সকলৰ মাজত বৈচিত্ৰ্য বিৰাজমান" - আলোচনা কৰক।

24 তলৰ প্ৰশ্নৰ উত্তৰ **150** ৰ পৰা **200** শব্দৰ ভিতৰত লিখক : 5

(i) "হিংসা আৰু লোভৰ প্ৰবল বতাহে সেই আশাৰ দীপটিক অকালতে নুমাই পেলাবৰ উপক্ৰম কৰিলে।" - পাঠৰ সহায়ত বুজাই লিখক।

**অথবা**

(ii) এগ্নিছৰ কৰ্মময় জীৱন যাত্ৰাৰ আভাস দিয়ক।

25 তলৰ যিকোনো এটা বিষয়ৰ ওপৰত এখন ৰচনা লিখক : 8

(ক) ছাত্ৰৰ কৰ্তব্য

(খ) গ্ৰন্থমেলা

(গ) অসমৰ বনজ সম্পদ।



UNNATI EDUCATION
9899436384: 9654-279-279